
# ‘কুৰিজন ভাৰতীয় গণিত-সাধক’ : এজন পাঠকৰ দৃষ্টিৰে

**ড° চয়নিকা বৰুৱা**

সহকাৰী অধ্যাপিকা, গণিত বিভাগ, ইউনিভাৰ্চিটি অৱ ছায়েঞ্চ এণ্ড টেকন’লজী, মেঘালয়




গণিতৰ ইতিহাসত ভাৰতবৰ্ষৰ এক সুকীয়া পৰিচয় আছে। বহুকেইজন বিৰল প্ৰতিভাধৰ গণিতজ্ঞৰ জন্মভূমি ভাৰতবৰ্ষ। গণিতৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা বিছজন ভাৰতীয় গণিতজ্ঞৰ জীৱন আৰু কীৰ্তিৰ বৰ্ণনাৰে শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° দিলীপ শৰ্মা ছাৰে ‘কুৰিজন ভাৰতীয় গণিত-সাধক’ নামেৰে লিখা গ্ৰন্থখন জানুৱাৰী মাহত গ্ৰন্থমেলাৰ পৰা সংগ্ৰহ কৰিছিলোঁ। আকৰ্ষণীয় বেটুপাতেৰে সজ্জিত ডেৰশ টকা মূল্যৰ গ্ৰন্থখন প্ৰকাশ কৰিছে অসমৰ অগ্ৰণী প্ৰকাশন প্ৰতিষ্ঠান ‘বান্ধৱে’। বহুকেইটা লেখা ইতিমধ্যে অসমৰ বিভিন্ন কাকত-আলোচনীত প্ৰকাশ হৈছে।

প্ৰাচীন ভাৰতীয় গণিতজ্ঞ আচাৰ্য পিংগল, আৰ্য্যভট, বৰাহমিহিৰ, মহাবীৰাচাৰ্য্য, ভাস্কৰাচাৰ্য্য, ৰাধানাথ শিকদাৰ, আনন্দমোহন বসু, আশুতোষ মুখোপাধ্যায়, সৰ্দমন চাওলা, গণিতৰ পাঠ্যপুথি লেখক হিচাপে খ্যাতিমান গণিতৰ অধ্যাপক শান্তিনাৰায়ণ, জগতনাৰায়ণ কাপুৰ, হৰিশ-চন্দ্ৰ, আদি কৰি বিছজন গণিতজ্ঞৰ সংক্ষিপ্ত জীৱনী আৰু গাণিতিক অৱদান আলোকপাত কৰা হৈছে গ্ৰন্থখনত। এই কুৰিজনৰ ভিতৰত আন বহু তীক্ষ্ণধী গণিতজ্ঞৰ নাম বাদ পৰি গৈছে, আৰু পৰৱৰ্তী সংস্কৰণত সংযোজন কৰা হ’ব বুলি লেখকে পাতনিত উল্লেখ কৰিছে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন পৰিসংখ্যাবিদ আৰু গণিতজ্ঞ জ্যোতিপ্ৰসাদ মেধি, আৰু অসমৰ প্ৰথমজন গণিতৰ ডক্টৰেট শিৰেন্দ্ৰনাৰায়ণ বৰুৱাৰো জীৱন-কাহিনী আৰু অৱদান লেখকে সুন্দৰকৈ বৰ্ণনা কৰিছে।

অতি সাৱলীল ভাষাৰে লেখকে সকলো স্তৰৰ পাঠকে বুজি পোৱাকৈ কিতাপখন লিখিছে। বহুল ব্যৱহৃত গাণিতিক শব্দৰ অসমীয়া প্ৰতিশব্দৰ প্ৰয়োগ কিতাপখনৰ আন এক মন কৰিবলগীয়া কথা। গণিতৰ কিতাপ যদিও, শুৱলা শব্দ তথা জতুৱা-ঠাঁচ, কাব্যিক উদ্ধৃতি আদিৰ ব্যৱহাৰ শৰ্মা ছাৰৰ ৰচনাৰ এক অনন্য বৈশিষ্ট্য। উদাহৰণস্বৰূপে ৰামানুজনৰ পত্নী জানকীৰ বিষয়ে লিখোঁতে ৰত্নকান্ত বৰকটকীৰ ‘ঊৰ্মিলা’ কবিতাটিৰ দুশাৰী উল্লেখ কৰিছে। অসমীয়া বহু কাকত-আলোচনী তথা বিশ্ববিখ্যাত গৱেষণা-পত্ৰৰ

নাম প্ৰতিটো লেখাত সংযুক্ত কৰিছে, যিখিনিয়ে কৌতুহলী পাঠকক সমল যোগান ধৰিব। সাধাৰণতে উপেক্ষিত আৰু জনমানসত প্ৰায়ে প্ৰচাৰ নোহোৱা বহুকেইজন ভাৰতীয় গণিতজ্ঞৰ জীৱন-কাহিনীৰ বৰ্ণনা কৰাটো মোৰ বোধেৰে আটাইতকৈ ভাল লগা কথা। উদাহৰণস্বৰূপে 'পাস্কেলৰ ত্ৰিভুজ'ৰ বিষয়ে ব্লেইজ পাস্কেলৰ বহু আগতেই ভাৰতীয় গণিতজ্ঞ পিংগলে চৰ্চা কৰিছিল, কিন্তু এই কথা গণিতৰ ছাত্ৰী হৈয়ো আমি জনা নাছিলোঁ, কিতাপখন পঢ়াৰ আগতে। মনোৰঞ্জক গণিতৰ সাধক দত্তাত্ৰেয় ৰামচন্দ্ৰ কাপ্ৰেকৰ সম্পৰ্কীয় লেখাত কাপ্ৰেকৰ ধ্ৰুৱক, কাপ্ৰেকৰ সংখ্যা, আত্ম সংখ্যা, যাদু বৰ্গ, আদিৰ বিষয়ে সুন্দৰকৈ আলোচনা কৰিছে। একাধাৰে গণিতজ্ঞ, পৰিসংখ্যাবিদ, সংস্কৃত পণ্ডিত তথা মুদ্ৰা বিশেষজ্ঞ দামোদৰ ধৰ্মানন্দ কোসাম্বীৰ কালজয়ী জীৱন কাহিনী এটা অধ্যায়ত বৰ্ণিত কৰা হৈছে। ৰামানুজনৰ বাটেৰেই বাট বোলা, লিটলউডৰ তত্বাৱধানত গৱেষণা কৰা অন্য এজন প্ৰখৰ মেধাৱী আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন গণিতজ্ঞ সৰ্বদমন চাওলা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত আৰু পৰিসংখ্যাবিজ্ঞান বিভাগৰ প্ৰথমজন প্ৰফেছৰ আৰু মুৰব্বী অধ্যাপক তথা কেম্ব্ৰিজৰ ৰেংলাৰ ৰেংশী দেতাৰাম থাৱানিৰ জীৱন কাহিনী আৰু গাণিতিক অৱদান গ্ৰন্থখনত সুন্দৰকৈ আলোকপাত কৰা হৈছে। গণিতৰ বহু উচ্চ মানবিশিষ্ট পাঠ্যপুথিৰ লেখক, অধ্যাপক শান্তিনাৰায়ণৰ জীৱন, তেওঁৰ গৱেষণাৰ কাহিনী, আৰু গণিতৰ শিক্ষকৰ বাবে গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰ আয়োজন কৰাৰ আঁৰৰ শ্ৰম আদি ঘটনাৰ বিষয়ে এটা অধ্যায়ত বিৰৰণ দিয়া হৈছে। গ্ৰন্থখনৰ শেষৰ অধ্যায়ত কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ ডক্টৰেট ডিগ্ৰীধাৰী গণিতজ্ঞ 'India's own John Forbes Nash' বুলি অভিহিত বশিষ্ঠনাৰায়ণ সিঙৰ জীৱন, কীৰ্তি আৰু স্কিজ'ফ্ৰেনিয়াত আক্ৰান্ত হোৱাৰ পিছৰ দুৰ্দশাৰ কাহিনী বৰ্ণনা কৰা হৈছে।



এগৰাকী কৃতী ছাত্ৰ আৰু সফল শিক্ষক হিচাপে ড° দিলীপ শৰ্মা সুপৰিচিত। নলবাৰীৰ সন্ধেলীত জন্ম গ্ৰহণ কৰা শৰ্মাই ১৯৭১ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সপ্তম স্থান, আৰু ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাগ্‌বিশ্ববিদ্যালয় (কলা) পৰীক্ষাত লজিক, আৰু সংস্কৃতত সৰ্বোচ্চ গুণাংকসহ প্ৰথম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। ১৯৭৫ চনত গণিতৰ অনাৰ্ছত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি বিএ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৭৭ চনত গণিতত প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান অধিকাৰ কৰি এমএ পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পাছত তেওঁ ক্ৰমে এমফিল আৰু পিএইছডি ডিগ্ৰি লাভ কৰে। নগাঁও কলেজত কৰ্মজীৱনৰ পাতনি মেলা শৰ্মাই কটন কলেজত ডেৰকুৰি বছৰৰো অধিক কাল সেৱা আগবঢ়াই গণিত বিভাগৰ মুৰব্বী হিচাপে অৱসৰ লয়। সম্প্ৰতি ড° শৰ্মা গুৱাহাটীৰ গিৰিজানন্দ চৌধুৰী ব্যৱস্থাপনা আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ গণিত বিভাগৰ মুৰব্বী। ইতিমধ্যে ড° শৰ্মাৰ ন খন গণিতৰ জনপ্ৰিয় গ্ৰন্থ প্ৰকাশ পাইছে,— *গণিতদ্ৰষ্টা ৰামানুজন*, *নিষ্ণাত গণিতজ্ঞ*, *সংখ্যাৰ কাননত*, *ইউক্লিড আৰু জ্যামিতি*, *নিৰুপম গণিত*, *সংখ্যাৰ জগতত বুটুছাৰ*, *অমিততেজা গণিতজ্ঞ*, *প্ৰাচীন ভাৰতত গণিত-চৰ্চা*, আৰু *অনুপম গণিত*। ইয়াৰে *নিৰুপম গণিত* (দ্বিতীয় সংস্কৰণ), *সংখ্যাৰ জগতত বুটুছাৰ* (দ্বিতীয় সংস্কৰণ), আৰু *অনুপম গণিত*ৰ প্ৰকাশক **বান্ধৱ**। তদুপৰি দ্বাদশ শতিকাৰ বিখ্যাত ভাৰতীয় গণিতজ্ঞ ভাস্কৰাচাৰ্য্যৰ *লীলাৱতী*ৰ তেওঁ কৰা সাৱলীল অনুবাদ অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰিছে। তেওঁ ৰচনা কৰা গণিত বিষয়ক নটি আকাশবাণী গুৱাহাটী কেন্দ্ৰই সম্প্ৰচাৰ কৰিছে। অসম গণিত শিক্ষায়তনৰদ্বাৰা প্ৰকাশিত *গণিত বিকাশ* নামৰ ছমহীয়া আলোচনীখন তেওঁ বহু বছৰ সম্পাদনা কৰিছিল। ইয়াৰ উপৰিও মাধ্যমিক, উচ্চতৰ মাধ্যমিক, স্নাতক, আৰু স্নাতকোত্তৰ মহলাৰ বাবে তেওঁ কেবাখনো পাঠ্যপুথিও লেখিছে। নৱম আৰু দশম শ্ৰেণীৰ বাবে তেওঁ যুগুত কৰা *ব্যৱহাৰিক গণিত*, *উচ্চ গণিত* **বান্ধৱে** প্ৰকাশ কৰিছে। বিভিন্ন কাকত-আলোচনীত তেওঁৰ চাৰিকুৰিৰো অধিক প্ৰবন্ধ-গল্প প্ৰকাশ পাইছে। অধুনালুপ্ত *অবিকল* শীৰ্ষক আলোচনীৰ তেওঁ নিয়মীয়া লেখক আছিল। *বাৰ ওঠৰতো* তেওঁ নিয়মীয়াকৈ লেখিছিল। ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগে ড° শৰ্মাক ছপা মাধ্যমেৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ক্ষেত্ৰলৈ উল্লেখনীয় বৰঙণি আগবঢ়োৱা হেতু ২০১৭ বৰ্ষৰ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰিছে।

\- প্ৰকাশক

এই কুৰিজন ভাৰতীয় গণিত-সাধকৰ জীৱন-কাহিনী একত্ৰিত কৰি ড° দিলীপ শৰ্মা ছাৰে সঁচাকৈয়ে এক প্ৰশংসনীয় কাম কৰিছে। ছাৰৰ এই প্ৰচেষ্টা সঁচাকৈয়ে শলাগ ল'বলগীয়া। গ্ৰন্থখনে গণিতপ্ৰেমীক আপ্লুত কৰাৰ লগতে অসমৰ বিজ্ঞান-সাহিত্য জগতখনলৈয়ো নিসন্দেহে বৰঙণি আগবঢ়াব।

প্ৰতিটো ধনাত্মক অখণ্ড সংখ্যা $n$ ৰ বাবে তলৰ সূত্ৰটোৱে একোটা মৌলিক সংখ্যা দিয়ে:

$$f(n) = \left\lfloor \frac{n! \mod (n+1)}{n} \right\rfloor (n-1) + 2,$$

য'ত $\lfloor x \rfloor$ হৈছে যিকোনো বাস্তৱ সংখ্যা $x$ ৰ বাবে, $x$ ৰ সমান বা সৰু আটাইতকৈ ডাঙৰ অখণ্ড সংখ্যাটো।

কিন্তু কথা হ'ল যে এই সূত্ৰটো এটা অতি দুৰ্বল সূত্ৰ।